**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-07-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত উচ্ছেদ অভিযান সাময়িকভাৱে বন্ধ ৰাখিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

২। সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্য অবৈধ দখলমুক্ত কৰাৰ বাবে ২০ আগষ্টৰ ভিতৰত ৰূপৰেখাসহ শপতনামা দাখিল কৰিবলৈ বন বিভাগক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনা।

২। উৎকট গৰমৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময়ৰ সালসলনি।

৪। ৰাজ্যৰ খৰাংসদৃশ পৰিস্থিতিৰ পৰা কৃষকক সকাহ দিয়াৰ উদ্দেশ্যে সকলো জিলাৰ আয়ুক্তক তাৎক্ষণিকভাৱে জলসিঞ্চন আঁচনিসমূহৰ কাৰ্যক্ষমতা পৰ্যালোচনা কৰিবলৈ মুখ্য সচিবৰ পৰামৰ্শ।

**আৰু**

৫। বাঘৰ ঘনত্বৰ দিশত কাজিৰঙা, বিশ্বৰ তৃতীয় ৰাষ্ট্ৰীয় উদ্যান হিচাপে পৰিগণিত।

oooooo

গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত উচ্ছেদ অভিযান সাময়িকভাৱে বন্ধ ৰাখিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছে। ন্যায়াধীশ এছ কে মেধিৰ আদালতে কালি উচ্চতম ন্যায়ালয়ৰ পূৰ্বৰ নিৰ্দেশৰ প্ৰতি লক্ষ্য ৰাখি ৭ আগষ্ট পৰ্যন্ত উচ্ছেদ অভিযান নচলাবলৈ নিৰ্দেশ কৰে। উল্লেখযোগ্য যে এই অভিযান সন্দৰ্ভত ৭৪ জন লোকে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে এই নিৰ্দেশ দিয়াৰ লগতে সমগ্ৰ বিষয়টো সন্দৰ্ভত ৰাজ্য চৰকাৰৰ পৰা মতামত বিচাৰে। উল্লেখযোগ্য যে এই উচ্ছেদক লৈ কেইবাখনো গাঁৱৰ ৰাইজে উচ্চ ন্যায়ালয়ত একাধিক আবেদন দাখিল কৰিছিল।

ইপিনে, কালি আৰক্ষী, চি আৰ পি এফ আৰু বন বিভাগে অঞ্চলটোত উচ্ছেদ অভিযান চলায়। অঞ্চলটোৰ বিদ্যাপুৰ বজাৰত কালি অভিযান চলাই ভালেসংখ্যক ব্যৱসায়িক প্ৰতিষ্ঠান উচ্ছেদ কৰা হয়। তদুপৰি সেই এলেকাৰ কেইবাটাও বাসগৃহও উচ্ছেদ কৰা হয়। কেইবাটাও পৰ্যায়ত চলিবলগীয়া এই অভিযানত দুহেজাৰ ৬০০ৰো অধিক পৰিয়ালক উচ্ছেদ কৰাৰ লগতে প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্য লোৱা হৈছে। বন বিভাগৰ জাননী পোৱাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৮০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। উল্লেখযোগ্য যে বন বিভাগ আৰু প্ৰশাসনে অঞ্চলটোত উচ্ছেদ চলাবলৈ সাজু হোৱাৰ সময়ত নাগালেণ্ডৰ উগ্ৰপন্থী সংগঠন এন এছ চি এনে এই কাৰ্যৰ বিৰোধিতা কৰিছিল যদিও কালি নগা আৰক্ষী আৰু প্ৰশাসনিক বিষয়াৰ এটা বৃহৎ দলে এই অভিযানত সহযোগ কৰে। অভিযান কালত অসম আৰক্ষী, বন বিভাগ আৰু চি আৰ পি এফৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকি পৰিস্থিতি তদাৰক কৰে। এই উচ্ছেদ অভিযান সন্দৰ্ভত মন্ত্ৰী অতুল বৰাই এইদৰে কয় –

বাইট

oooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্য অবৈধ দখলমুক্ত কৰাৰ বাবে ২০ আগষ্টৰ ভিতৰত ৰূপৰেখা সহ শপতনামা দাখিল কৰিবলৈ বন বিভাগক নিৰ্দেশ দিছে। ন্যায়ালয়ে কালি বিভাগটোক আদালতত দাখিল কৰিবলগীয়া শপতনামাৰ বিষয়ে প্ৰশ্ন উত্থাপন কৰে। কালি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীৰ বিচাৰপীঠে বিগত ৫ মাহে শপতনামা দাখিল নোহোৱাক লৈ বন বিভাগক প্ৰশ্ন কৰে। এটা প্ৰকৃতিপ্ৰেমী সংগঠনে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে এই প্ৰশ্ন কৰে। উল্লেখযোগ্য যে শোণিতপুৰ জিলাৰ এই অভয়াৰণ্যখন দখলমুক্ত কৰাৰ বাবে প্ৰস্তুত কৰা ৰূপৰেখা বিগত কেইবামাহো জুৰি আদালতত দাখিল নোহোৱাক লৈ সংগঠনটোৱে আবেদন দাখিল কৰিছিল। ইয়াৰ আগেয়ে ৪ ফেব্ৰুৱাৰীৰ শুনানিতে বন বিভাগে অভয়াৰণ্যখনত বিতং জৰীপ আৰম্ভ কৰা বুলি আদালতক অৱগত কৰোৱাৰ লগতে অভয়াৰণ্যখন দখলমুক্ত কৰাৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰি থকা বুলিও আদালতক অৱগত কৰিছিল। সেই অনুসৰি আদালতে ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষকক এই ৰূপৰেখাসহ এখন শপতনামা এমাহৰ ভিতৰত দাখিলৰ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে অভয়াৰণ্যখন হোৱা অবৈধ দখল সন্দৰ্ভত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণৰ এটা গোচৰত বন বিভাগে ইতিপূৰ্বে দাখিল কৰা শপতনামাত অভয়াৰণ্যখনৰ ৫০ হাজাৰ হেক্টৰ বনাঞ্চল দখলকাৰীৰ কৰলত পৰা বুলি উল্লেখ কৰিছিল। সেউজ ন্যায়াধীকৰণেও বন বিভাগক অভয়াৰণ্যখন দখলমুক্ত কৰাৰ ব্যৱস্থা ল'বলৈ পৰামৰ্শ দিছে।

000000

বিশ্বৰ কোনো নেতাই ভাৰতক অপাৰেচন সিন্দূৰ অভিযান বন্ধ কৰিবলৈ কোৱা নাই বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। কালি লোকসভাত অপাৰেচন সিন্দূৰ সন্দৰ্ভত অনুষ্ঠিত আলোচনাত অংশ লৈ শ্ৰী মোদীয়ে কয়, যে পাকিস্তানে ভাৰতক এই অভিযান বন্ধ কৰাৰ বাবে অনুৰোধ জনাইছিল। তেওঁ কয়, যে পাকিস্তানে আক্ৰমণ কৰিলে ভাৰতে বৃহৎ প্ৰত্যাক্ৰমণ চলাব বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ-ৰাষ্ট্ৰপতিৰ সৈতে হোৱা আলোচনাৰ সময়তে স্পষ্ট কৰি দিয়া হৈছিল। শ্ৰীমোদীয়ে কয়, যে অভিযানৰ সময়ত ভাৰতে পাকিস্তানৰ সীমাৰ ভালেখিনি ভিতৰত থকা সন্ত্ৰাসবাদীৰ শিবিৰসমূহ ধ্বংস কৰিছিল। পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাৰ প্ৰত্যুত্তৰ হিচাপে ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে মাত্ৰ ২২ মিনিটৰ ভিতৰতে এই অভিযান সম্পূৰ্ণ কৰা বুলি তেওঁ উল্লেখ কৰে।

বাইট

শ্ৰীমোদীয়ে কয়, যে ভাৰতে কোনোধৰণৰ পাৰমাণৱিক ভাবুকিৰ আগত শিৰনত নকৰে বুলি বিশ্বৰ আগত স্থিতি স্পষ্ট কৰি দিছে। সন্ত্ৰাসবাদীৰ আক্ৰমণ হ'লে দেশে নিজৰ ধৰণেৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব বুলি সিন্দূৰ অভিযানৰ জৰিয়তে স্পষ্ট কৰি দিয়া হৈছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয়, যে ভাৰতে সন্ত্ৰাসবাদৰ আঁৰত থকা ব্যক্তি আৰু সন্ত্ৰাসবাদীক সমৰ্থন কৰা চৰকাৰক পৃথক সত্বা হিচাপে গণ্য নকৰে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে এই অভিযানৰ সময়ছোৱাত আত্মনিৰ্ভৰশীল ভাৰতৰ শক্তি সমগ্ৰ বিশ্বই প্ৰত্যক্ষ কৰিছিল আৰু ভাৰতত নিৰ্মিত ড্ৰোন তথা ক্ষেপণাস্ত্ৰই পাকিস্তানৰ অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদৰ সামৰ্থক উদঙাই দিছিল। এই অভিযানৰ সময়ত পাকিস্তানৰ বিমানকোঠ আৰু সা-সম্পত্তিৰ বিস্তৰ ক্ষতি হোৱা বুলি তেওঁ জানিবলৈ দিয়ে।

000000

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অঞ্জনমণি কলিতা আৰু ৰাজেশ মজুমদাৰ, ন্যায়িক বিষয়া প্ৰাঞ্জল দাস আৰু সঞ্জীৱ কুমাৰ শৰ্মাই আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে শপত গ্ৰহণ

কৰিব। উচ্চ ন্যায়ালয়ৰ নতুন ভৱনৰ ১ নম্বৰ আদালতত আজি দিনৰ ১০ বজাত আয়োজিত অনুষ্ঠানত মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে তেওঁলোকক শপত গ্ৰহণ কৰোৱাব। উল্লেখযোগ্য যে কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে  সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে এই অতিৰিক্ত ন্যায়াধীশ কেইগৰাকীৰ নিযুক্তিৰ কথা প্ৰকাশ কৰিছিল।

০০০০০০

ৰাজ্যত অব্যাহত থকা গ্ৰীষ্ম প্ৰৱাহৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰীষ্ম বন্ধৰ পাছত অহা ১ আগষ্টৰ পৰা হ'বলগীয়া বিদ্যালয়ৰ পাঠদান সন্দৰ্ভত সমগ্ৰ শিক্ষা বিভাগে বিশেষ নিৰ্দেশনা জাৰি কৰিছে। কামৰূপ মহানগৰ জিলা আয়ুক্তৰ সৈতে হোৱা বৈঠকৰ পাছত সমগ্ৰ শিক্ষাৰ কামৰূপ মহানগৰ জিলাৰ মিছন সমন্বয়কে এটা নিৰ্দেশনাযোগে জিলাখনৰ বিদ্যালয়সমূহত পাঠদানৰ নতুন সময়সূচী ঘোষণা কৰিছে। নতুন নিৰ্দেশনা অনুসৰি ১ আগষ্টৰ পৰা কামৰূপ মহানগৰ জিলাৰ সকলো চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা আৰম্ভ হ'ব। অৱশ্যে বিদ্যালয়ৰ ছুটীৰ ক্ষেত্ৰত শ্ৰেণী অনুসৰি সময়ৰ সলনি হ'ব। নিৰ্দেশনাটোত উল্লেখ কৰা মতে নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ছুটী চাৰে ১১ বজাত আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ছুটী ১২ বজাত হ'ব। মাধ্যমিক পৰ্যায়ৰ অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ পাঠদান দুপৰীয়া ১ বজা পৰ্যন্ত চলিব। এই শ্ৰেণীসমূহৰ পাঠ্যক্ৰম আগুৱাই নিয়াৰ স্বাৰ্থত বিদ্যালয়ৰ ছুটীৰ সময় চাৰে ১২ বজাৰ পৰিৱৰ্তে ১ বজা কৰাৰ সিদ্ধান্ত লোৱা হৈছে। উল্লেখযোগ্য যে প্ৰচণ্ড গৰমৰ বাবে বিদ্যালয়ৰ শিক্ষাৰ্থীসকল যাতে অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰে শিক্ষা বিভাগক নিৰ্দেশ দিছে। গুৱাহাটী মহানগৰীৰ যান-জঁটৰ বাবে বিদ্যালয়ৰ পাঠদানৰ সময়সূচী সালসলনি কৰাৰ বাবে চৰকাৰে আগবঢ়োৱা পৰামৰ্শৰ ভিত্তিতে সমগ্ৰ শিক্ষা বিভাগে নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০

ৰাজ্যত চলিত বৰ্ষত হোৱা খৰাংসদৃশ পৰিস্থিতিৰ পৰা কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে মুখ্য সচিব ড০ ৰবি কোটাই কেইবাটাও বিভাগলৈ গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰিছে। মুখ্য সচিবগৰাকীয়ে সকলো জিলাৰ আয়ুক্তক তাৎক্ষণিকভাৱে জলসিঞ্চন আঁচনিসমূহৰ কাৰ্যক্ষমতা পৰ্যালোচনা কৰিবলৈ নিৰ্দেশ দিছে। বিশেষকৈ ক্ষতিগ্ৰস্ত অঞ্চলসমূহত এনে আঁচনিসমূহ তাৎক্ষণিকভাৱে কাৰ্যক্ষম কৰিবলৈ কোৱা হৈছে। তদুপৰি ড০ কোটাই সংশ্লিষ্ট বিভাগসমূহক পাম্পছেট, ক্ষুদ্ৰ জলসিঞ্চন, নলা-নৰ্দমাৰ ব্যৱস্থা আৰু অন্যান্য জল উৎসসমূহ সক্ৰিয় কৰাৰ বাবে সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ দিছে। কৃষকসকলক তাৎক্ষণিকভাৱে যোগান ধৰিব পৰাকৈ কম সময়তে হোৱা ধানৰ বীজ মজুত ৰাখিবলৈও কৃষি বিভাগক মুখ্য সচিবগৰাকীয়ে নিৰ্দেশ দিছে। জিলা কৃষি বিষয়াসকলে বৰষুণৰ পৰিমাণ যথেষ্ট হ্ৰাস হোৱা অঞ্চলসমূহক অগ্ৰাধিকাৰ দি বীজ বিতৰণৰ পৰিকল্পনা কৰিব লাগিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। আনহাতে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত পঞ্জীয়ন আৰু এই আঁচনিসমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবলৈও জিলা আয়ুক্তসকলক কোৱা হৈছে। মুখ্য সচিবগৰাকীয়ে দিয়া নিৰ্দেশনা অনুসৰি বৰষুণৰ পৰিমাণ যথেষ্ট হ্ৰাস পোৱা অথবা খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা জিলা আয়ুক্তসকলে কৃষি, জলসিঞ্চন, পশুচিকিৎসা আৰু পশুপালন বিভাগ, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সৈতে তাৎক্ষণিকভাৱে সমন্বয়মূলক বৈঠক অনুষ্ঠিত কৰিব লাগিব। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এই বৈঠকৰ প্ৰতিবেদন কাইলৈৰ ভিতৰত দাখিল কৰিব লাগিব।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বাঘৰ ঘনত্বৰ দিশৰ পৰা বিশ্বৰ ভিতৰত  তৃতীয় ৰূপে পৰিগণিত হৈছে। উদ্যানখনত প্ৰতি এশ বৰ্গ কিলোমিটাৰত ১৮ টা বাঘ পোৱা গৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ সঞ্চালক সোণালী ঘোষে প্ৰকাশ কৰা মতে উদ্যানখনত ১৪৮ টা প্ৰাপ্তবয়স্ক বাঘ আছে। ইয়াৰে ভিতৰত ৮৩ জনী বাঘিনী আৰু ৫৫ টা বাঘ আছে।

০০০০০০

শিৱসাগৰ নাট্য বিদ্যালয়ৰ উদ্যোগত কালিৰেপৰা শিৱসাগৰ যুৱদলত চতুৰ্দশ সদৌ অসম শিশুনাট সমাৰোহ অনুষ্ঠিত হৈছে। কালি উজনি অসমৰ ভ্ৰাম্যমান নাটৰ বাটকটীয়া বিশ্ব শইকীয়া সোঁৱৰণি নাট্য মঞ্চ সমাজকৰ্মী দিলীপ চাংমাইয়ে উদ্বোধন কৰে। সমাৰোহৰ সৈতে সংগতি ৰাখি 'অংকুৰণ' শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। কালি প্ৰথম দিনা ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ২৫ টা নাট্যগোষ্ঠীয়ে নাট প্ৰদৰ্শন কৰে। কালি সন্ধিয়াৰ ভাগত আয়োজিত অনুষ্ঠানত বিশিষ্ট চিকিৎসক, সংজ্ঞাহাৰক বিশেষজ্ঞ তথা সৰ্প দংশনৰ সামাজিক কৰ্মকৰ্তা ডাঃ সুৰজিৎ গিৰিক সদৌ অসম শিশুনাট সমাৰোহ উদযাপন সমিতিয়ে সৌৰভপ্ৰাণ শিৱসাগৰ বঁটা প্ৰদান কৰে। উল্লেখযোগ্য যে ডাঃ গিৰিয়ে সৰ্প দংশন হোৱা তিনি হাজাৰৰো অধিক লোকৰ জীৱন ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে। বঁটা গ্ৰহণ কৰি চিকিৎসকগৰাকীয়ে এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে -    **ভইচ**

০০০০০০

লোকসভা আৰু ৰাজ্যসভাত অপাৰেচন সিন্দূৰ সন্দৰ্ভত বিশেষ আলোচনা, প্ৰচণ্ড গৰমৰ পৰিপ্ৰেক্ষিতত পৰহিলৈৰ পৰা বিদ্যালয়ৰ পাঠদানৰ সময়সূচী সলনি, উৰিয়ামঘাটত ৰাজ্যৰ সৰ্ববৃহৎ উচ্ছেদ আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

লোকসভাত কালি অপাৰেচন সিন্দূৰ সন্দৰ্ভত  হোৱা বিতৰ্কত অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাকিস্তানক কঠোৰ সকিয়নী দিয়াৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰধান বাতৰিৰূপে প্ৰকাশ কৰিছে। ইয়াৰ লগতে ভাৰতৰ এই অভিযান সন্দৰ্ভত বিৰোধী দলসমূহে কৰা বিভিন্ন মন্তব্যৰ বাতৰিও আজিৰ কাকতসমূহেও সবিস্তাৰে প্ৰকাশ কৰিছে। উৎকট গৰমৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহত পৰহিলৈৰ পৰা পুৱা চাৰে ৭ বজাত পাঠদান আৰম্ভ কৰাৰ বাবে জিলা শিক্ষা বিষয়াই দিয়া নিৰ্দেশৰ এটা বাতৰিক **দৈনিক অসম, দৈনিক অগ্ৰদূত, অসমীয়া খবৰ, দা ছেণ্টিনেল** আদি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ঢেকীয়াপতীয়া বাঘৰ ঘনত্বত বিশ্বৰ ভিতৰতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে তৃতীয় স্থান লাভ কৰাৰ এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে। অভিনেত্ৰী নন্দিনী কাশ্যপৰ গাড়ীৰ খুন্দাত আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হৈ থকা ছামিউল হকে অৱশেষত নিয়তিৰ ওচৰত হাৰ মনাৰ বাতৰিটো **অসমীয়া খবৰ**ৰ লগতে প্ৰায় কেইখন কাকতে প্ৰকাশ কৰিছে। ফিডে মহিলা বিশ্বকাপ দবা প্ৰতিযোগিতাত ভাৰতৰ দিব্যা দেশমুখে স্বদেশৰেই কনেৰু হাম্পিক পৰাভূত কৰি খিতাপ দখল কৰি অভিলেখৰ সৃষ্টি কৰিছে। বাতৰিটো **আমাৰ অসম** কাকতখনে অন্যতম মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। ইজৰাইল-হামাছ যুদ্ধত বিগত ২১ মাহত ৬০ হাজাৰৰো অধিক পেলেস্তাইনী লোক নিহত হোৱা বুলি গাজাৰ স্বাস্থ্য মন্ত্ৰালয়ে তথ্য প্ৰকাশ কৰাৰ এটা বাতৰি **দি আছাম ট্ৰিবিউন** কাকতখনে বিতংভাৱে প্ৰকাশ কৰিছে। উৰিয়ামঘাটত চলি থকা সৰ্ববৃহৎ উচ্ছেদ অভিযানৰ বাতৰি **দৈনিক জনমভূমি**ৰ লগতে আন কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত